# India-U.S. Foreign Office Consultations

July 07, 2020

---

## ভাৰত–মাৰ্কিন বৈদেশিক কাৰ্য্যালয় পৰামৰ্শ

জুলাই07, 2020

বৈদেশিক সচিব হৰ্ষবৰ্ধন শ্ৰিংলা আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাজনৈতিক অবৰ সচিব ডেভিদ হালে07জুলাই 2020তাৰিখেএকভাৰ্চুৱেল বৈদেশিক কাৰ্য্যালয় পৰামৰ্শৰ আয়োজন কৰে।তেওঁলোকে সমগ্ৰ বিশ্বৰ অধীন ভাৰত মাৰ্কিন বৈশ্বিক কৌশলগত অংশীদাৰৰ সমন্বিতে ৰাজনৈতিক, অৰ্থনৈতিক, বাণিজ্যিক,প্ৰাদেশিক আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সম্পৰ্কে পৰ্য্যালোচনা কৰে।

বৰ্তমান কোভিড-19 মহামাৰীৰ প্ৰেক্ষাপটত তেওঁলোকে ঔষধ আৰু ভেকচিনৰ বিকাশসহ দ্বিপাক্ষিক স্বাস্থ্য অংশীদাৰিত্বক আৰু অধিক সবল কৰিবলৈ সন্মতি প্ৰদান কৰে । তেওঁলোকে শিক্ষাৰ্থী আৰু পেছাদাৰীসকলৰ ভিছাৰ সুবিধাৰ মাধ্যমেৰে পাৰস্পৰিকভাৱে লাভদায়ক বাণিজ্য আৰু মানুহৰ লগত মানুহৰ সম্বন্ধ কিদৰে বঢ়াব পাৰি তাৰ উপায়সমূহৰ ওপৰত চৰ্চা কৰে।

উক্ত বৈঠকত বৈদেশিক সচিব শ্ৰিংলা আৰু অবৰ সচিব হেল ডাঙৰীয়াই বিভিন্ন ধৰণৰ আঞ্চলিক আৰু বৈশ্বিক সমস্যাৰ ওপৰত মত বিনিময় কৰে । তেওঁলোকে এখন স্বাধীন, মুক্ত,সামগ্ৰিক ভাৱে শান্তিপূৰ্ণ আৰু উন্নতিশীল ভাৰত–প্ৰশান্তীয় গঠনৰ লক্ষ্যৰে কাম কৰাৰ প্ৰতিশ্ৰুতি পুনৰবাৰ সুনিশ্চিত কৰে। তেওঁলোকে 2021-2022 বৰ্ষৰ কাৰণে সংযুক্ত ৰাষ্ট্ৰ নিৰাপত্তা পৰিষদৰ সদস্যতাৰ কালছোৱাত সংযুক্ত ৰাষ্ট্ৰৰ লগত সম্পৰ্ক আৰু অধিক দৃঢ় কৰাৰ আৱশ্যকতাৰ ওপৰত সন্মতি ব্যক্ত কৰে।

এই বছৰৰ শেষৰফালে ভাৰতে অনুষ্ঠিত কৰিবলগীয়া 2+2 আমোলা বিষয়ক বিভিন্ন পদ্ধতিৰ মাধ্যমেৰে দ্বিপাক্ষিক কাৰ্যসূচীত যোগাযোগ ৰাখিবলৈ তথা এই ক্ষেত্ৰত অগ্ৰসৰ হবলৈয়ো দুয়োজনে সন্মতি প্ৰদান কৰে।

**নতুন দিল্লী**
**জুলাই07, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.